# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-02-2026
**Time :** 18-00 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। লখিমপুৰ জিলাৰ বিহপুৰীয়া বিধানসভা সমষ্টিত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মহিলা উদ্যমিতা আঁচনিৰ ধন বিতৰণ।

২। গোলঘাট জিলাৰ ডেৰগাওঁৰ নৰেন শৰ্মা স্মৃতি খেলপথাৰত আজি অসম গণ পৰিষদৰ বৃহৎ সংকল্প সমাবেশ।

৩। নিলম্বিত এ চি এছ বিষয়া নুপুৰ বৰাক ভূমি জালিয়াতিৰ অভিযোগত পুনৰ গ্ৰেপ্তাৰ। *আৰু*

৪। ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত অসমৰ বিৰুদ্ধে কেৰালাৰ জয়লাভ।

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লখিমপুৰ জিলাৰ বিহপুৰীয়া বিধানসভা সমষ্টিত আনুষ্ঠানিকভাৱে মহিলা উদ্যমিতা আঁচনিৰ ধন বিতৰণ কৰে। সমষ্টিটোৰ আত্মসহায়ক গোটৰ ৩০ হাজাৰৰো অধিক মহিলালৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই ১০ হাজাৰ টকাকৈ আঁচনিৰ প্ৰথম কিস্তিৰ ধন আগবঢ়ায়। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে জিলাখনত কেইবাটাও প্ৰকল্পৰ উদ্বোধন কৰাৰ লগতে আধাৰশিলা স্থাপন কৰে। তেওঁ নাৰায়ণপুৰত ৫৭ কোটি টকা ব্যয়সাপেক্ষ নিৰ্মিত মাধৱদেৱ বিশ্ববিদ্যালয়ৰ নতুন চৌহদ উদ্বোধন কৰে।

**বাইট (চি এম)**

মুখ্যমন্ত্ৰীগৰাকীয়ে তাতিবাহাৰত পিছলা ক্ৰীড়া সন্থা খেলপথাৰত ষ্টেডিয়াম মুকলি কৰে। এই প্ৰকল্পৰ বাবে ৰাজ্য চৰকাৰে ১১ কোটি টকা ব্যয় কৰিছে। ইয়াৰ লগতে ড° শৰ্মাই নাৰায়ণপুৰত শ্ৰীশ্ৰীধুৱাহাট বেলগুড়ি সত্ৰৰ আন্তঃগাঁথনি উন্নয়নৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পৰ বাবে চৰকাৰে ২০ লাখ টকা ধাৰ্য্য কৰিছে।

শিৱসাগৰ জিলাত মুখ্যমন্ত্ৰীৰ উপস্থিতিত কাইলৈ হ'বলগীয়া মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কাৰ্যসূচীৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। ঐতিহাসিক তলাতল ঘৰ প্ৰাংগণত হ'বলগীয়া এই অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ ল'বলৈ কালি জিলাখনৰ আয়ুক্ত মৃদুল যাদৱে সভাথলী পৰিদৰ্শন কৰে। তেওঁ বিভাগীয় বিষয়াসকলৰ সৈতে এই বিষয়ে মত-বিনিময় কৰে।

ooooo

ৰাজ্যৰ সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে অহা ৮ ফেব্ৰুৱাৰীত নিৰ্বাচন আয়োগৰ এটা দল অসমলৈ আহিব। উপ-নিৰ্বাচনী আয়ুক্তৰ নেতৃত্বত দলটোৱে নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ ল'ব। ১৫ ফেব্ৰুৱাৰীৰ পাছত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্ত ড° সুখবীৰ সিং সান্ধু আৰু ড°

বিবেক যোশীৰে গঠিত আয়োগৰ পূৰ্ণাংগ দল অসমলৈ আহি ৰাজ্যখনৰ নিৰ্বাচনী প্ৰস্তুতি পৰ্যালোচনা কৰাৰ লগতে সাম্প্ৰতিক পৰিস্থিতিৰ বুজ ল'ব। উপ-নিৰ্বাচনী আয়ুক্তৰ নেতৃত্বত ৮ ফেব্ৰুৱাৰীত আহিবলগীয়া দলটোৱে ৰাজ্যিক নিৰ্বাচনী বিষয়াৰ সৈতে আলোচনাত মিলিত হ'ব। তেওঁলোকে প্ৰতিখন জিলাৰ আয়ুক্ত আৰু শীৰ্ষ আৰক্ষী বিষয়াৰ সৈতেও আলোচনা কৰিব। দলটোৱে ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিৰ সৈতেও আলোচনাত মিলিত হ'ব। দুয়োটা দলে নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লৈ উভতি যোৱাৰ পাছতে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ইতিপূৰ্বে ফেব্ৰুৱাৰীৰ অন্তিম ভাগত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰিছিল।

ooooo

গোলঘাট জিলাৰ ডেৰগাওঁৰ নৰেন শৰ্মা স্মৃতি খেলপথাৰত আজি অসম গণ পৰিষদৰ বৃহৎ সংকল্প সমাবেশ অনুষ্ঠিত হয়। দলটোৰ সভাপতি তথা মন্ত্ৰী অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, সাংসদ ফণীভূষণ চৌধুৰীৰ লগতে দলটোৰ কেইবাগৰাকীও শীৰ্ষ নেতাই এই সমাবেশত অংশ লয়। অসমীয়াৰ স্বাভিমান অটুত ৰাখি দেশৰ ভিতৰতে অসমক অগ্ৰণি ৰাজ্য হিচাপে আগুৱাই নিবলৈ দলটো দায়বদ্ধ হৈ থাকিব বুলি মন্ত্ৰী কেশৱ মহন্তই প্ৰকাশ কৰে। এই সমাবেশত দলটোৰ ১০ হাজাৰৰো অধিক সদস্যই অংশ গ্ৰহণ কৰে।

ooooo

নিলম্বিত চক্ৰ বিষয়া নুপুৰ বৰাক ভূমি জালিয়াতিৰ অভিযোগত মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে আজি পুনৰ গ্ৰেপ্তাৰ কৰে। বৰপেটা জিলাৰ আয়ুক্ত আৰু সহকাৰী আয়ুক্তই তদাৰকী কোষত নুপুৰ বৰাৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছিল। এই এজাহাৰৰ ভিত্তিত তদাৰকী কোষে মালিগাওঁৰ বাসগৃহৰ পৰা নিলম্বিত বিষয়াগৰাকীক গ্ৰেপ্তাৰ কৰে। কোষৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক ৰজি কলিতাই প্ৰকাশ কৰা অনুসৰি চক্ৰ বিষয়া হৈ থকাৰ সময়ত নুপুৰ বৰাই ৫০০ ৰো অধিক ব্যক্তিৰ ভূমিৰ ক্ষেত্ৰত জালিয়াতি কৰিছিল। নুপুৰ বৰাই ধনৰ বিনিময়ত শতাধিক লোকক জালিয়াতিয়েৰে ভূমিৰ নামজাৰি কৰাৰ অভিযোগ উত্থাপন হৈছে। তদন্তকালত তদাৰকী কোষে বৰপেটাত অভিযান চলাই ৭০ গৰাকী লোকৰ ভূমি নথি জব্দ কৰিছিল। পৰৱৰ্তী সময়ত জব্দকৃত ভূমিৰ নথিপত্ৰসমূহ পুনৰীক্ষণৰ বাবে তদাৰকী কোষে সংশ্লিষ্ট কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰে। নথি পত্ৰৰ বিসংগতি ধৰাৰ পৰাৰ পিছতেই নুপুৰ বৰাক পুনৰ গ্ৰেপ্তাৰ কৰা হয়। গ্ৰেপ্তাৰৰ পাছত অভিযুক্ত বৰাক মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে আদালতত হাজিৰ কৰোৱায়। উল্লেখযোগ্য যে আয় বহিৰ্ভুত সম্পত্তিৰ গোচৰত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে পূৰ্বেও নুপুৰ বৰাক গ্ৰেপ্তাৰ কৰিছিল। সেই সময়ত নুপুৰ বৰাৰ পৰা মুঠ ১ কোটি ৪৪ লাখ টকা অভিযানকাৰী দলে জব্দ কৰিছিল।

ooooo

২২ সংখ্যক বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্ম মানৱতাৰ সৈনিক বঁটা ২০২৫ আজি ভূটানৰ মহাৰাণী গ্যালুম অশ্বী দৰ্জী ৱাংম' ৱাংচুকক প্ৰদান কৰা হয়। কোকৰাঝাৰত অৱস্থিত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ জৌহালাও নিলেশ্বৰ ব্ৰহ্ম প্ৰেক্ষাগৃহত অনুষ্ঠিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ভূটানৰ মহাৰাণীগৰাকীক এই বঁটা দিয়া হয়। এই বঁটাৰ লগতে আছে এটা স্মাৰক, আৰ্নাই, দখনা, এৰী চাদৰ আৰু নগদ দুই লাখ টকা। ভূটানৰ মহাৰাণী গ্যালুম অশ্বী দৰ্জী

ৱাংম' ৱাংচুকে চৰকাৰৰ সহযোগত দেশখনৰ জনসাধাৰণ আৰু প্ৰান্তীয় অঞ্চলৰ উন্নয়নৰ বাবে দীৰ্ঘদিন ধৰি কাম কৰি আহিছে। মহাৰাণীগৰাকীয়ে ভূটানৰ শিক্ষা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণৰ ক্ষেত্ৰতো বিশেষ বৰঙণি আগবঢ়াই আহিছে। বঁটা গ্ৰহণ কৰি মহাৰাণী ৱাংচুকে কয়, যে ভাৰত আৰু ভূটানৰ দীৰ্ঘদিনীয়া বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ লগত বড়ো সংস্কৃতি আৰু জনসাধাৰণৰ লগত ভূটানৰ সম্পৰ্ক আছে। তেওঁ কয়, যে বৰ্তমান চৰকাৰে গ্ৰহণ কৰা আঞ্চলিক অৰ্থনৈতিক পদক্ষেপে ভূটান আৰু অসমৰ উন্নয়ন তথা সমৃদ্ধিত বিশেষ অৰিহনা আগবঢ়াব।

**ৰাইট (মহাৰাণী ৱাংচুক)**

অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য মুখ্য অতিথি আৰু বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰী বিশেষ অতিথি হিচাপে উপস্থিত থাকে। বিটিচিৰ প্ৰাক্তন মুৰব্বী প্ৰমোদ বড়ো, মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মকে ধৰি কেইবাগৰাকীও ব্যক্তি এই অনুষ্ঠানত অংশ লয়।

উল্লেখযোগ্য যে সমাজলৈ বিশেষ বৰঙণি আগবঢ়োৱা একো গৰাকী ব্যক্তিক ২০০৪ চনৰ পৰা প্ৰতি বছৰে বড়ো জাতিৰ পিতৃ উপেন্দ্ৰ নাথ ব্ৰহ্মৰ সোঁৱৰণত এই বঁটা প্ৰদান কৰি অহা হৈছে।

০০০০০

ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া বিধানসভা সমষ্টিৰ কুঁৱৰীগাঁও পঞ্চায়তত ১ কোটি ৭১ লাখ টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া প্ৰায় ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ গড়গুৰি গড়আলিৰ পৰা নিৰ্মাণ হ'বলগীয়া ন-চাউদাং গড়কাপ্তানি পথটোৰ আজি বিধায়ক তৰংগ গগৈয়ে আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে অনুষ্ঠিত ৰাজহুৱা সভাত বিধায়কগৰাকীয়ে কয়, যে এই পথটিৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ উঠিলে অঞ্চলবাসীৰ যাতায়াতৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হ'ব আৰু ই অঞ্চলটোৰ উন্নয়নতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব।

০০০০০

যোৰহাট জিলাৰ মেলেং ফেচুৱাল পথৰ উন্নয়ন আৰু উন্নীতকৰণ বিষয়ৰ পৰ্যালোচনাৰ বাবে বিধায়ক হিতেন্দ্ৰনাথ গোস্বামী আৰু যোৰহাট জিলা আয়ুক্ত জয় শিৱানী এখন আজি ৰাজহুৱা সভাত উপস্থিত থাকে। মেলেং জয়শ্ৰী বিদ্যালয়ত অনুষ্ঠিত এই ৰাজহুৱা সভাত ৰাজ্য চৰকাৰৰ ধবজাবাহী আঁচনি অসমমালা ৪.০ৰ অধীনত অনুমোদিত পথসমূহৰ নিৰ্মাণ সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। ১৭৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা আৰম্ভ হৈ টি বি এন ৰোডত শেষ হোৱা প্ৰায় ১৫ কিলোমিটাৰৰ এই পথটোৰ নিৰ্মাণ সম্পূৰ্ণ হ'লে অঞ্চলটোৰ যাতায়াত আৰু আৰ্থসামাজিক বিকাশত যথেষ্ট অৰিহণা যোগাব বুলি আশা কৰা হৈছে।

০০০০০

৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ আজি কোৱাৰ্টাৰ ফাইনেলত কেৰালাৰ হাতত ঘৰুৱা দল অসম ৩-০ গ'লৰ ব্যৱধানত পৰাজিত হয়। চিলাপথাৰত অনুষ্ঠিত খেলখনত প্ৰথমাৰ্ধত কেৰালা দলৰ মনোজ এমে ১৭ মিনিটত প্ৰথমটো গ'ল কৰে। পৰৱৰ্তী সময়ত মহম্মদ আজচলে কেৰালাৰ হৈ দ্বিতীয়টো গ'ল কৰে। আবুবকৰ দিলছাদে চূড়ান্ত তথা তৃতীয় গ'লটো দিয়ে। অসম দলৰ ময়ূখ গগৈ, প্ৰাঞ্জল ভূমিকা, ঋতুৰাজ মোহন আৰু সুদিপ্ত কোঁৱৰে আক্ৰমণাত্মকভাৱে খেলিলেও বিশেষ সফলতা লাভ কৰিবলৈ সমৰ্থ নহ'ল।

ইপিনে ঢকুৱাখনাৰ বিষ্টুৰাম দলে ক্ৰীড়া ক্ষেত্ৰত অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত ছাৰ্ভিচেছ দলে পশ্চিমবংগ দলক পৰাজিত কৰে। একেদৰে ৰে'লৱে দল আৰু ৰাজস্থান দলৰ মাজত হোৱা আন এখন খেলত ৰে'লৱে দলে জয়লাভ কৰে। পাঞ্জাব আৰু তামিলনাডুৰ মাজৰ অনুষ্ঠিত আনখন খেলত পাঞ্জাব দল বিজয়ী হৈ ছেমি ফাইনেলত নিজৰ স্থান সুনিশ্চিত কৰে।

প্ৰতিযোগিতাৰ ছেমি ফাইনেলৰ খেলসমূহ অহা ৫ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব।

ooooo

ঃঃ সমাপ্ত ঃঃ